NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
**0000000000**

Date : 24-11-2022
Time : 1910 Hrs

*Assamese Evening Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটত ৰাজ্যখনৰ জনজাতীয় লোকসকলৰ সবলীকৰণৰ বাবে বিজেপিৰ প্ৰতিশ্ৰুতিৰদ্ধতাক দোহাৰে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ পূব ভাৰত আৰু দেশৰ মূল ভূখণ্ডৰ মাজত থকা ব্যৱধানৰ অৱসান ঘটাইছে।

৩। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি প্ৰাক বাজেট ২০২৩ সন্দৰ্ভত ষষ্ঠখন বৈঠকত অধ্যক্ষতা কৰে।

৪। ৰাষ্ট্ৰপতি ভৱন সাধাৰণ দৰ্শকৰ বাবে অহা ১ ডিচেম্বৰৰ পৰা মুকলি কৰা হ'ব।

*আৰু*

৫। ফিফা বিশ্বকাপত আজি বিশ্ব ফুটবলৰ অন্যতম শক্তি ব্ৰাজিলে চাৰ্বিয়াৰ বিৰুদ্ধে শক্তি প্ৰদৰ্শন কৰিব।

00000000

গুজৰাটত নিৰ্বাচনী প্ৰচাৰ ব্যাপক হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক নেতাসকলে ৰাজ্যখনৰ বিভিন্ন স্থানত ভোটাদাতাক আকৰ্ষণ কৰিবলৈ বিভিন্ন কৌশল অৱলম্বন কৰিছে। ধাৰাবাহিকভাৱে দ্বিতীয়টো দিনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যখনত বিজেপিৰ নিৰ্বাচনী প্ৰচাৰৰ গুৰি ধৰিছে। পালানপুৰৰ এখন জনসভাত ভাষণ দি আজি প্ৰধানমন্ত্ৰীয়ে কয় যে অনাগত ২৫ বছৰৰ বাবে গুজৰাটৰ ভাগ্য এইবাৰৰ বিধানসভা নিৰ্বাচনে নিৰ্ণয় কৰিব। তেওঁ কয় যে কেৱল সমাজৰ বাবে উৎসৰ্গিত আৰু উন্নয়নৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ চৰকাৰেহে লক্ষ্যত উপনীত হোৱাৰ লগতে জনসাধাৰণৰ আশা আকাংক্ষা পূৰণ কৰিব পাৰিব। তেওঁ বৃহৎ হাৰত ভোটদান কৰি অভিলেখ গঢ়িবলৈ জনসাধাৰণক আহ্বান জনায়। বিজেপি চৰকাৰে বানাছকান্থা অঞ্চলত, সন্ত্ৰাসবাদ, পৰিৱেশ, পানী আৰু পৰিপুষ্টিৰ বিষয়ত মনোযোগ দিব বুলি শ্ৰীমোদীয়ে ঘোষণা কৰে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি ৰাজ্যখনৰ আৰাৱলী জিলাৰ মদাছাত আয়োজিত এখন জনসভাত ৰাজ্যখনৰ জনজাতীয় লোকসকলৰ সবলীকৰণৰ বাবে বিজেপিৰ প্ৰতিশ্ৰুতিৰদ্ধতাক দোহাৰে।

00000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ পূব ভাৰত আৰু দেশৰ মূল ভূখণ্ডৰ মাজত থকা ব্যৱধানৰ অৱসান ঘটাইছে। তেওঁ কয় যে নৰেন্দ্ৰ মোদী চৰকাৰৰ প্ৰচেষ্টাৰ জৰিয়তে উত্তৰ পূৰ্বাঞ্চলত শান্তি প্ৰতিষ্ঠা হৈছে। নতুন দিল্লীত আহোম সেনাপতি লাচিত বৰফুকনৰ ৪০০ সংখ্যক জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰি আজি সন্ধিয়া শ্ৰীশ্বাহে লাচিত বৰফুকন সম্পৰ্কীয় গ্ৰন্থসমূহ কমেও ১০ টা ভাষালৈ অনুবাদ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ অনুৰোধ জনায়। তেওঁ কয় যে

দেশৰ জনসাধাৰণে লাচিত বৰফুকনৰ বীৰত্বৰ বিষয়ে জনা উচিত। গৃহমন্ত্ৰীগৰাকীয়ে ইতিহাসৰ শিক্ষাৰ্থীসকলক দেশৰ বিভিন্ন প্ৰান্তত কমেও ডেৰশ বছৰ ধৰি ৰাজত্ব কৰা ৩০ টা ৰাজবংশ সন্দৰ্ভত গৱেষণা কৰিবলৈ পৰামৰ্শ দিয়ে। তেওঁ কয় যে জনসাধাৰণক ব্যাপকভাৱে লাভান্বিত কৰিবলৈ ইতিহাস পুনৰ অধ্যয়ন কৰাৰ সময় আহি পৰিছে। মোগলৰ আগ্ৰাসন ৰোধ কৰাৰ ক্ষেত্ৰত লাচিত বৰফুকনৰ ভূমিকাক স্বীকৃতি দি শ্ৰীশ্বাহে কয় যে শৰাইঘাটৰ যুদ্ধত শাৰীৰিক অসুস্থতাক নেওচি লাচিতে মোগলক পৰাভূত কৰিছিল। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি গৃহ মন্ত্ৰীগৰাকীয়ে লাচিত বৰফুকন সন্দৰ্ভত এখন তথ্যচিত্ৰও মুকলি কৰে। অনুষ্ঠানত সমবেত লোকসকলক সম্বোধন কৰি কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে এই পদক্ষেপৰ জৰিয়তে দেশৰ ১৩০ কোটি জনসাধাৰণে লাচিত বৰফুকনৰ বিষয়ে জানিব পাৰিব। শ্ৰীসোণোৱালে কয় যে নৱপ্ৰজন্মই লাচিত বৰফুকনৰ বীৰত্ব তথা আদৰ্শৰ জৰিয়তে উৎসাহিত হ'ব। অনুষ্ঠানত অংশগ্ৰহণ কৰি অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মহান যোদ্ধা লাচিত বৰফুকনৰ প্ৰতি শ্ৰদ্ধাসূচকভাৱে আজি নিশা মাটিৰ চাকি প্ৰজ্বলন কৰিবলৈ অসমৰ জনসাধাৰণলৈ আহ্বান জনায়। ড০ শৰ্মাই কয় যে লাচিত বৰফুকনে ঔৰংজেৱৰ আগ্ৰাসী নীতিক সফলভাৱে প্ৰতিহত কৰিবলৈ সক্ষম হৈছিল। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে লাচিত বৰফুকনৰ ৪০০ সংখ্যক জয়ন্তী উদযাপনে অসমীয়া সমাজখনক পুনৰ একত্ৰিত কৰিছে বুলি মত প্ৰকাশ কৰে।

০০০০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি স্বাস্থ্য, শিক্ষা, গ্ৰামোন্নয়ন, জল আৰু অনাময়কে ধৰি সামাজিক ক্ষেত্ৰৰ বিভিন্ন বিশেষজ্ঞসকলৰ সৈতে প্ৰাক বাজেট ২০২৩ আলোচনা সন্দৰ্ভত ষষ্ঠখন বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধুৰী আৰু ড০ ভাগৱত কাৰাডৰ লগতে বিত্ত সচিব ড০ টি ভি চোমানাথন, মুখ্য অৰ্থনৈতিক উপদেষ্টা ড০ অনন্ত নাগেশ্বৰান তথা জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। ইয়াৰ পূৰ্বে বিত্তমন্ত্ৰীগৰাকীয়ে নতুন দিল্লীত সেৱা তথা বাণিজ্য খণ্ডৰ বিশেষজ্ঞসকলৰ সৈতে প্ৰাক বাজেট ২০২৩ ৰ পঞ্চমখন বৈঠকত অধ্যক্ষতা কৰিছিল।

০০০০০০০০

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নিতীন গাডকাৰীয়ে ৰাষ্ট্ৰীয় ঘাইপথ ১৪৮ বি-ৰ ভিৱানী হানচি পথ অংশক চাৰেলেনযুক্ত ঘাইপথ হিচাপে নিৰ্মাণ কৰাত অনুমোদন জনাইছে। ভাৰতমালা পৰিযোজনাৰ অধীনত হাৰিয়ানাৰ ভিৱানী আৰু হিচাৰ জিলাত এহেজাৰ ৩০০ কোটি টকাতকৈও অধিক ব্যয় সাপেক্ষ এই প্ৰকল্প নিৰ্মাণৰ বাবে অনুমোদন জনোৱা হৈছে। শ্ৰীগাডকাৰীয়ে কয় যে এই প্ৰকল্পই হাৰিয়ানাৰ আন্তঃজিলা যোগাযোগ উন্নত কৰাৰ লগতে যাতায়ত ব্যৱস্থাক তৰান্বিত কৰিব।

পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি মন্ত্ৰীগৰাকীয়ে এই পথছোৱাৰ উন্নয়নে দীৰ্ঘ দূৰত্বৰ যাতায়ত তথা মাল পৰিবহনৰ ক্ষেত্ৰত সুচলতা আনিব বুলি মন্তব্য কৰিছে। মন্ত্ৰীগৰাকীয়ে কয় যে এই প্ৰকল্পই যাতায়ত ব্যৱস্থাৰ সুচলতা তথা নিৰাপত্তা সুনিশ্চিত কৰাৰ লগতে যাতায়ত ব্যয় তথা সময় হ্ৰাস কৰাত সহায় কৰিব। মন্ত্ৰীগৰাকীয়ে কয় যে এই প্ৰকল্পটোৱে হাৰিয়ানাৰ বুনিয়াদী আন্তঃগাঁথনি শক্তিশালী কৰাৰ জৰিয়তে অঞ্চলটোৰ সামগ্ৰিক অথনীতি উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

০০০০০০০০

গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ চাৱান্তে আজি ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত চলচ্চিত্ৰ প্ৰযুক্তি প্ৰদৰ্শনী পৰিদৰ্শন কৰে। পানাজীৰ ফুটবল গ্ৰাউণ্ডত অনুষ্ঠিত প্ৰদৰ্শনীখনত চলচ্চিত্ৰ কলা, চলচ্চিত্ৰ আৰু সৌন্দৰ্য্যবোধ আদিৰ সৈতে জড়িত বিভিন্ন প্ৰযুক্তি তথা সা-সজুলি প্ৰদৰ্শন কৰা হৈছে। চলিত বৰ্ষৰ আই এফ এফ আইৰ অংশ হিচাপে পুনেৰ ভাৰতীয় চলচ্চিত্ৰ আৰু টেলিভিচন প্ৰতিষ্ঠানে এই প্ৰদৰ্শনীৰ আয়োজন কৰিছে। সপ্তাহজোৰা এই কাৰ্যসূচীত আগশাৰীৰ চলচ্চিত্ৰ সম্পৰ্কীয় সা-সজুলি নিৰ্মাতাসকলে অংশগ্ৰহণ কৰিছে। প্ৰদৰ্শনীখনত সমসাময়িক চলচ্চিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত উদ্যোগটোৰ দক্ষ ব্যক্তিসকলে ব্যৱহাৰ কৰা শেহতীয়া সা-সজুলিসমূহ প্ৰদৰ্শন কৰা হৈছে। প্ৰদৰ্শনীখনত মনোৰঞ্জন প্ৰযুক্তিৰ ক্ষেত্ৰখনৰ শেহতীয়া বিকাশ সম্পৰ্কীয় সা-সজুলিৰ দিহা কৰা হৈছে।

০০০০০০০০

দিল্লী মহিলা আয়োগৰ অধ্যক্ষ স্বাতী মালীৱালে জুম্মা মছজিদত পুৰুষ অবিহনে মহিলা আৰু কিশোৰী প্ৰৱেশত বাধা আৰোপ কৰা বিষয়টো সন্দৰ্ভত দিল্লীৰ জুম্মা মছজিদৰ শ্বাহী ইমামলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। এই বাধা আৰোপ কৰা বিষয়টো সন্দৰ্ভত শ্ৰীমতী মালীৱালে জাননীখনত আজি কয় যে মছজিদত মহিলাৰ প্ৰৱেশৰ ক্ষেত্ৰত বাধা আৰোপ কৰা বিষয়টো বৈষম্যমূলক হৈছে। প্ৰাৰ্থনাথলীসমূহ সকলোৰে বাবে মুক্ত হোৱা উচিত বুলি জাননীখন উল্লেখ কৰা হয়। শ্ৰীমতী মালীৱালে কয় যে এই বিষয়টো সম্পূৰ্ণৰূপে মহিলাৰ প্ৰতি বৈষম্যমূলক তথা ভাৰতীয় সংবিধানৰ পৰিপন্থী। অধ্যক্ষাগৰাকীয়ে এই বিষয় সম্পৰ্কত অহা সোমবাৰে উত্তৰ বিচাৰিছে।

০০০০০০০০

ৰাষ্ট্ৰপতি ভৱন সাধাৰণ দৰ্শকৰ বাবে অহা ১ ডিচেম্বৰৰ পৰা মুকলি কৰা হ'ব। দৰ্শকসকলে বুধবাৰ, বৃহস্পতিবাৰ, শুকুৰবাৰ, শনিবাৰ আৰু ৰবিবাৰে ৰাষ্ট্ৰপতি ভৱন দৰ্শন কৰিব পাৰিব। ইয়াৰ বাবে পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ ভৱন খোলা থাকিব। ইয়াৰ উপৰি জনসাধাৰণে মঙলবাৰৰ পৰা ৰবিবাৰলৈ ৰাষ্ট্ৰপতি ভৱন সংগ্ৰহালয় দৰ্শন কৰিব পাৰিব। দৰ্শকসকলে শনিবাৰে পুৱা ৮ বজাৰ পৰা ৯ বজালৈ ৰাষ্ট্ৰপতি ভৱনত চেঞ্জ অৱ গাৰ্ড সমাৰোহো উপভোগ কৰিব পাৰিব। দৰ্শকসকলে এই ৰাষ্ট্ৰপতি ভৱন দৰ্শনৰ বাবে rashtrapatisachivalaya.gov.in/rbtour ৱেবচাইটত অনলাইন বুকিং কৰিব পাৰিব।

০০০০০০০০

কেন্দ্ৰীয় শাসিত অঞ্চল লাডাখৰ প্ৰশাসনে অঞ্চলটোৰ তিনিটা সুৰংগৰ বাবে বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰিছে। অঞ্চলটোৰ খাৰদুং লা, ফটু লা, নামিকা লা আৰু কি লা পাছত সকলো ধৰণৰ বতৰত যোগাযোগ সম্ভৱ হোৱাকৈ সুৰংগ নিৰ্মাণৰ বাবে পৰিকল্পনা কৰা হৈছে। কেন্দ্ৰীয় শাসিত অঞ্চলৰ সচিব অজিত কুমাৰ চাহুৱে আজি লেহত ৰেইল ইণ্ডিয়া টেকনিকেল এণ্ড ইক'নমিক চাৰ্ভিচ লিমিটেডৰ সমীক্ষাৰ বাস্তৱ সম্ভাৱনা তথা অগ্ৰগতি সম্পৰ্কে বুজ লয়। শ্ৰীচাহুৱে সংস্থাটোক চলিত বৰ্ষৰ শেষত ভূমি পৰীক্ষাৰ প্ৰতিবেদনকে ধৰি বিভিন্ন তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে।

প্ৰস্তাৱিত ৫ দশমিক ৫ কিলোমিটাৰ দূৰত্বৰ খাৰদুং লা সুৰংগই লেহৰ পৰা নুব্ৰা উপাত্যকালৈ যাতায়তৰ সময় এঘণ্টা হ্ৰাস কৰিব বুলি আশা কৰা হৈছে। একেদৰে ফটু লা আৰু নামিকা লা পাছত প্ৰস্তাৱিত সুৰংগই কাৰ্গিল আৰু লেহৰ মাজৰ যাতায়তৰ সময় হ্ৰাস কৰিব বুলি আশা কৰা হৈছে।

oooooooo

ফিফা বিশ্বকাপত আজি ব্ৰাজিলে শক্তি প্ৰদৰ্শন কৰিব। চৌদি আৰৱৰ বিৰুদ্ধে খেলি আৰ্জেণ্টিনা আৰু জাপানৰ বিৰুদ্ধে খেলি জাৰ্মানী পৰাস্ত হোৱাৰ পাছত আজি বিশ্ব ফুটবলৰ অন্যতম শক্তি ব্ৰাজিল খেল পথাৰত নামিব। দেশখনে নিশা চাৰে ১২ বজাত হ'বলগীয়া এখন খেলত ছাৰ্বিয়াৰ বিৰুদ্ধে খেলিব। বিশেষজ্ঞসকলে ব্ৰাজিলক এইবাৰ বিশ্বকাপৰ সম্ভাব্য বিজয়ী হিচাপে চিহ্নিত কৰিছে।

প্ৰতিযোগিতাৰ পঞ্চম দিনটোত আজি দিনৰ চাৰে ৩ বজাত অনুষ্ঠিত প্ৰথমখন খেলত ছুইজাৰলেণ্ডে, কেমেৰুণক ১-০ গ'লৰ ব্যৱধানত পৰাজিত কৰে। আজিৰ দিনটোৰ দ্বিতীয়খন খেল সন্ধ্যা চাৰে ৬ বজাত দক্ষিণ কোৰিয়া আৰু উৰুগুৱেৰ মাজত অনুষ্ঠিত হৈছে। আনহাতে, নিশা চাৰে ৯ বজাত ইউৰোকাপ চেম্পিয়ন খ্ৰীষ্টীয়ান ৰ'নাল্ডোৰ নেতৃত্বৰ পৰ্তুগালে ঘানাৰ বিৰুদ্ধে খেলিব। ঘানাই ২০১৮ চনৰ পাছত প্ৰথমবাৰৰ বাবে বিশ্বকাপ খেলিব আৰু এয়া হ'ব দেশখনৰ চতুৰ্থখন বিশ্বকাপ প্ৰতিযোগিতা। আনহাতে, তাৰকা খেলুৱৈ খ্ৰীষ্টীয়ান ৰ'নাল্ডোয়ে পঞ্চমবাৰৰ বাবে বিশ্বকাপ খেলিব আৰু এইবাৰেই খেলুৱৈগৰাকীৰ শেষ বিশ্বকাপ হোৱাৰ সম্ভাৱনা আছে।

oooooooo

**সমাপ্ত**